# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 28-SEP-2025
**Time :** 1845 HRS

## ***Assamese Evening Bulletin***
### Headlines
---------------------

১।	ড০ ভূপেন হাজৰিকাৰ গীতত বিশ্বব্যাপী ঐক্য প্ৰতিফলিত হৈছে বুলি প্ৰধানমন্ত্ৰীৰ মন কি বাতত মন্তব্য। জুবিন গাৰ্গৰ অকাল বিয়োগত শ্ৰী মোদীৰ গভীৰ শোক প্ৰকাশ।

২।	মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ আজি হামৰেণত ১০০খন বিচনাযুক্ত নতুন জিলা চিকিৎসালয় উদ্বোধন।

৩।	বিটিচি নিৰ্বাচনত নিৰংকুশ সংখ্যাগৰিষ্ঠতা লাভ কৰা বিপিএফ দলৰ ৰাজ্যপালক সাক্ষাৎ কৰি পৰিষদীয় চৰকাৰ গঠনৰ বাবে দাবী উত্থাপন।

৪।	শাৰদীয় দুৰ্গা পূজাৰ আজি ষষ্ঠীত দেৱী দুৰ্গাৰ প্ৰাণ প্ৰতিষ্ঠা।

*আৰু*

৫।	এছিয়া কাপ টি টুৱেণ্টি ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত আজি ভাৰত আৰু পাকিস্তান মুখামুখি।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ভাৰতৰত্ন সন্মানেৰে সন্মানিত ড০ ভূপেন হাজৰিকাৰ গীতত বিশ্বব্যাপী ঐক্য প্ৰতিফলিত হৈছে বুলি মন্তব্য কৰে। আকাশবাণীৰ **মন কী বাত** অনুষ্ঠানৰ ১২৬ সংখ্যক খণ্ডত আজি প্ৰধানমন্ত্ৰী মোদীয়ে সুধাকণ্ঠলৈ গভীৰ শ্ৰদ্ধা নিবেদন কৰে। শ্ৰী মোদীয়ে শেহতীয়াকৈ অসমত আয়োজিত যুগজয়ী মহান শিল্পীগৰাকীৰ জন্মশতবৰ্ষ অনুষ্ঠানত অংশগ্ৰহণ কৰিবলৈ পাই নিজকে সৌভাগ্যৱান বুলি অভিহিত কৰে। তেওঁ ড০ ভূপেন হাজৰিকাৰ **মানুহে মানুহৰ বাবে** শীৰ্ষক কালজয়ী গীতটো সিংহলী আৰু তামিল ভাষাত অনুবাদৰ কথা উল্লেখ কৰি কিদৰে ভূপেন হাজৰিকাৰ গীতৰ জৰিয়তে বিশ্বৰ বেলেগ বেলেগ দেশ একত্ৰিত হৈছে সেই বিষয়ত আলোকপাত কৰে।

*(বাইট ঃ প্ৰধানমন্ত্ৰী)*

প্ৰধানমন্ত্ৰী মোদীয়ে আজিৰ মন কি বাতত অসমীয়াৰ হিয়াৰ আমঠু শিল্পী জুবিন গাৰ্গৰ অকাল বিয়োগতো গভীৰ শোক প্ৰকাশ কৰে। নিজৰ প্ৰতিভাৰে সমগ্ৰ দেশতে পৰিচিত হৈ পৰা জুবিন গাৰ্গৰ অসমৰ সংস্কৃতিৰ সৈতে গভীৰ সম্পৰ্ক আছিল বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে কয়, যে শিল্পীগৰাকীৰ সংগীতে পৰৱৰ্তী প্ৰজন্মসমূহক সদায়েই আচ্ছন্ন কৰি ৰাখিব।

*(বাইট ঃ প্ৰধানমন্ত্ৰী)*

শ্ৰী মোদীয়ে দেশৰ জনসাধাৰণক স্বদেশী সামগ্ৰী ব্যৱহাৰ কৰিবলৈ আৰু ভোকেল ফ'ৰ লোকেল নীতিক মন্ত্ৰ হিচাপে গ্ৰহণ কৰি সমাগত উৎসৱৰ বতৰ উদযাপন কৰিবলৈ আহ্বান জনায়। দেশত উৎপাদিত সামগ্ৰী ক্ৰয় কৰাৰ বাবে প্ৰতিজ্ঞাবদ্ধ হ'বলৈ সকলোকে আহ্বান জনাই তেওঁ কয়, যে এই কাৰ্যই একোটা পৰিয়াললৈ আশাৰ সঞ্চাৰ কৰাৰ

লগতে এনে সামগ্ৰী উৎপাদনৰ সৈতে জড়িত শিল্পী-কাৰিকৰসকলৰ কঠোৰ পৰিশ্ৰমক সন্মান জনাব আৰু যুৱ উদ্যমীসকলক ডেউকা মেলি দিয়াৰ সুযোগ প্ৰদান কৰিব।

০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি পশ্চিম কাৰ্বি আংলং জিলাৰ হামৰেণত ১০০খন বিচনাযুক্ত নতুন জিলা চিকিৎসালয় উদ্বোধন কৰে। পশ্চিম কাৰ্বি আংলঙত স্বাস্থ্য সেৱাৰ আন্তঃগাঁথনি শক্তিশালী কৰাৰ দিশত ৰূপান্তৰমুখী পদক্ষেপ হিচাপে ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ অধীনত প্ৰায় ৩০ কোটি টকা ব্যয়ৰে এই জিলা চিকিৎসালয়খন নিৰ্মাণ কৰা হৈছে। মুখ্যমন্ত্ৰী ড০ শৰ্মাই উদ্বোধনী কাৰ্যসূচীৰ পাছত শিল্পী জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত পুষ্পাঞ্জলি অৰ্পণেৰে শ্ৰদ্ধা নিবেদন কৰাৰ লগতে চিকিৎসালয়খনৰ চৌহদত এটি গছপুলি ৰোপণ কৰে। ড০ শৰ্মাই সাংবাদিকৰ সৈতে হোৱা কথাবতৰাত কয়, যে অতি দূৰণিবতিয়া অঞ্চলত স্থাপন হোৱা এই চিকিৎসালয়খনত ব্লাড বেংকৰ পৰা আৰম্ভ কৰি চিটিস্কেনলৈকে সকলো ব্যৱস্থা থাকিব।

*(বাইট ঃ মুখ্যমন্ত্ৰী)*

ইয়াৰ পূৰ্বে মুখ্যমন্ত্ৰীগৰাকীয়ে আজি ৰংখাং বিধানসভা সমষ্টিৰ আত্মসহায়ক গোটৰ সদস্যাসকলক মুখ্যমন্ত্ৰীৰ মহিলা উদ্যমিতা অভিযানৰ অধীনত আৰ্থিক সাহায্য বিতৰণ কৰে। এই উপলক্ষে  ডংকামোকামৰ ৱাইছং ষ্টেডিয়ামত আয়োজিত এখন জনসভাত দুহেজাৰ ২০০ আত্মসহায়ক গোটৰ প্ৰায় ১৯ হাজাৰ গৰাকী হিতাধিকাৰীক ১০ হাজাৰ টকাকৈ চেক বিতৰণ কৰা হ'য়। মুখ্যমন্ত্ৰীয়ে ডংকামোকামৰ বন বিভাগৰ অতিথিশালাৰ প্ৰাংগণতে প্ৰধানমন্ত্ৰী মোদীৰ মন কি বাত শুনে।

০০০০০

বিটিচি নিৰ্বাচনত নিৰংকুশ সংখ্যাগৰিষ্ঠতা লাভ কৰা বিপিএফ দলে আজি ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যক সাক্ষাৎ কৰি পৰিষদীয় চৰকাৰ গঠনৰ বাবে দাবী উত্থাপন কৰে। ৰাজপালগৰাকীক কৰা সাক্ষাতৰ পাছত বি পি এফৰ মুৰব্বী হাগ্ৰামা মহিলাৰীয়ে সংবাদ মাধ্যমৰ আগত কয়, যে অহা তিনি অক্টোবৰত কোকৰাঝাৰত আয়োজিত অনুষ্ঠানত দলটোৱে শপত গ্ৰহণ কৰিব। এই অনুষ্ঠানত ৰাজ্যপালগৰাকীক আমন্ত্ৰণ জনোৱা হৈছে বুলি তেওঁ উল্লেখ কৰে। পৰিষদীয় চৰকাৰত বি জে পি আৰু ইউ পি পি এলৰ সদস্য থাকিবনে নাই বুলি সোধা প্ৰশ্নৰ উত্তৰত শ্ৰী মহিলাৰীয়ে কয়, যে কোনো দলে সমৰ্থন জনালে আদৰণি জনোৱা হ'ব। এই সন্দৰ্ভত দলীয় সদস্যসকলৰ সৈতে আলোচনা কৰি চূড়ান্ত সিদ্ধান্ত লোৱা হ'ব বুলি তেওঁ কয়। আজি সন্ধিয়া তেওঁ মুখ্যমন্ত্ৰীক সাক্ষাৎ কৰি শপত গ্ৰহণ অনুষ্ঠানলৈ আমন্ত্ৰণ জনাব বুলি উল্লেখ কৰে। বি টি আৰ বাসীক ভূমি পট্টা প্ৰদান কৰাটো নতুন পৰিষদীয় চৰকাৰৰ মূল লক্ষ্য হ'ব বুলি তেওঁ উল্লেখ কৰে। শ্ৰী মহিলাৰীয়ে জনতাৰ শিল্পী জুবিন গাৰ্গৰ স্মৃতিত কোকৰাঝাৰত শিল্পীগৰাকীৰ এটা প্ৰতিমূৰ্তি আৰু এখন উদ্যান নিৰ্মাণ কৰা হ'ব বুলিও জানিবলৈ দিয়ে।  উল্লেখযোগ্য যে বড়োলেণ্ডৰ ৫ খন জিলাৰ ৪০টা পৰিষদীয় সমষ্টিৰ নিৰ্বাচনত বি পি এফ দলে ২৮ খন আসন দখলেৰে একক সংখ্যাগৰিষ্ঠ দল হিচাপে নিৰ্বাচিত হৈছে। এই নিৰ্বাচনত প্ৰমোদ বড়ো নেতৃত্বাধীন ইউ পি পি এল দলে মাত্ৰ ৭ খন আসনহে লাভ কৰিবলৈ সমৰ্থ হয়। শাসনাধিষ্ঠিত বিজেপিয়ে কেৱল ৫ খন আসনহে লাভ কৰে। ইপিনে, ইউ পি পি এল দলৰ মুৰব্বী প্ৰমোদ বড়োৱে আজি ৰাজ্যপাল শ্ৰী আচাৰ্যক সাক্ষাৎ কৰি পদত্যাগ পত্ৰ দাখিল কৰে।

০০০০০

শাৰদীয় দুৰ্গা পূজাৰ আজি ষষ্ঠীত দেৱী দুৰ্গাৰ প্ৰাণ প্ৰতিষ্ঠা কৰা হয়। ইয়াৰ লগে লগে পৰম্পৰাগত ৰীতি-নীতিৰে এই বছৰৰ শাৰদীয় দুৰ্গোৎসৱ আৰম্ভ হৈছে। এইবাৰ দেৱী দুৰ্গাৰ হস্তীত আগমন ঘটিছে আৰু দোলাত গমন হ'ব বুলি বিশ্বাস কৰা হৈছে। অৱশ্যে অসমবাসীৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ আকস্মিক বিয়োগৰ পৰিপ্ৰেক্ষিতত এইবাৰ ৰাজ্যবাসীৰ শাৰদীয় পূজাৰ উৎসাহ স্তিমিত হৈ আছে। প্ৰাণৰ শিল্পীগৰাকীৰ মৃত্যুত ৰাজ্যখন শোকাচ্ছন্ন হৈ থকাৰ মাজতে জনসাধাৰণে পৰম্পৰা বৰ্তাই ৰাখি দুৰ্গতিনাশিনী দুৰ্গাৰ আশীষ বিচাৰি আৰাধনা কৰিছে। ইতিহাসপ্ৰসিদ্ধ

দেৱালয়সমূহত নৱৰাত্ৰিৰ প্ৰথমদিনাৰে পৰা আড়ম্বৰহীনভাৱে যথাবিহিত ৰীতি-নীতিৰে দেৱী দুৰ্গাৰ পূজা-অৰ্চনা কৰা হৈছে।

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এই উপলক্ষে দিয়া বাৰ্তাত প্ৰতিকূল পৰিৱেশৰ মাজতো ৰাজ্যৰ জনসাধাৰণ দেৱী দুৰ্গাৰ আৰাধনাৰ বাবে সাজু হৈছে বুলি উল্লেখ কৰি সমাজখনত শান্তি স্থাপনৰ বাবে দেৱীৰ আশীষ বিচাৰে। তেওঁ শাৰদীয় পূজাৰ ক্ষণত ৰাজ্যৰ জনসাধাৰণক শুভেচ্ছা জ্ঞাপন কৰে।

গুৱাহাটী মহানগৰীত পাঁচ শতাধিক পূজা অনুষ্ঠিত হৈছে। শক্তিপীঠ কামাখ্যা ধাম, উত্তৰ গুৱাহাটীৰ দীৰ্ঘেশ্বৰী দেৱালয়, উজান বজাৰৰ উগ্ৰতাৰা দেৱালয়, বেলশৰৰ বিল্বেশ্বৰ দেৱালয়কে ধৰি বিভিন্ন ইতিহাস প্ৰসিদ্ধ স্থানসমূহত পূজা উপলক্ষে পৱিত্ৰ পৰিৱেশে বিৰাজ কৰিছে।

**ডিব্ৰুগড়** জিলাত জুবিন গাৰ্গৰ বিয়োগে জনসাধাৰণৰ মন সেমেকা কৰি ৰাখিছে যদিও পৰম্পৰাগত ৰীতি-নীতিৰে পূজা-অৰ্চনাৰ কৰা হৈছে। জিলাখনত স্বৰ্গদেউ প্ৰতাপ সিংহৰ ৰাজত্বকালৰ মোমাই তামুলী বৰবৰুৱাৰ পৃষ্ঠপোষকতাত আৰম্ভ হোৱা বকুলৰ দুৰ্গা পূজাভাগ পৰম্পৰাগতভাৱে পালন কৰা হৈছে। **শিৱসাগৰ** জিলাতো পূজা মণ্ডপসমূহ আটক ধুনীয়াকৈ সজাই তোলাৰ লগতে শক্তিৰূপা দেৱী দুৰ্গাৰ মৃণ্ময় মূৰ্তিত আজি প্ৰাণ প্ৰতিষ্ঠা কৰা হৈছে। **হোজাই** জিলাৰ বিভিন্ন প্ৰান্তত আড়ম্বৰবিহীনভাৱে এইবাৰ পূজা অনুষ্ঠিত হৈছে। **কাছাৰ** জিলাত আৰক্ষীয়ে দুৰ্গা পূজাৰ সময়ছোৱাত জনসাধাৰণৰ নিৰাপত্তা সুনিশ্চিত কৰাৰ বাবে শিলচৰ চহৰৰ ৰাজপথত আজি অনুশীলন চলায়। **ধেমাজি** জিলাত মাংগলিক ৰীতি-নীতিৰে আজি ষষ্ঠীত দেৱী দুৰ্গাৰ প্ৰাণ প্ৰতিষ্ঠাৰে শাৰদীয় পূজা আৰম্ভ হৈছে। জিলাখনৰ জোনাই সাৰ্বজনীন দুৰ্গা পূজা সমিতিয়ে প্ৰিয় শিল্পী জুবিন গাৰ্গৰ সোঁৱৰণত বিশেষ মণ্ডপ সাজি উলিয়াইছে। **শোণিতপুৰ** জিলাৰ ঢেকীয়াজুলি সমজিলাত শাৰদীয় দুৰ্গা পূজা পৰম্পৰাগত উৎসাহ-উদ্দীপনাৰে পালন কৰা হৈছে।

**গোৱালপাৰা** জিলাৰ বিভিন্ন প্ৰান্তত আজি ষষ্ঠী উপলক্ষে পূজাৰ বেদীত দেৱী প্ৰতিমা স্থাপন কৰি শক্তিৰূপিনী দেৱীৰ আৰাধনা কৰা হয়। জিলাখনত ১৪৩ খন ঠাইত এইবেলি দুৰ্গাপূজা অনুষ্ঠিত হৈছে। গোৱালপাৰা জিলাৰ জয়ভূম কামাখ্যা মন্দিৰ, টুক্ৰেশ্বৰী দেৱালয়, লক্ষীপুৰ, দুধনৈ, ৰংজুলি, আগিয়াকে ধৰি বিভিন্ন অঞ্চলত জাক-জমকতা অবিহনেই পূজা অনুষ্ঠিত হৈছে। **ধুবুৰী** জিলাৰ বিভিন্ন পূজা মণ্ডপত আজি ধৰ্মধবজা উত্তোলনেৰে শাৰদীয় পূজাৰ শুভাৰম্ভ কৰা হয়। জিলাখনৰ শতাধিক পূজাথলীত এইবাৰ দেৱীক আৰাধনা কৰা হৈছে। **বাক্সা** জিলাৰ ইতিহাস প্ৰসিদ্ধ শ্ৰীশ্ৰী কুজিদেওৰ দেৱালয়ৰ লগতে বিভিন্ন স্থানত পূজা অনুষ্ঠিত হৈছে। জিলাখনৰ ৰূপহীত বিভিন্ন জাতি-জনগোষ্ঠীৰ লোকে পূজাত অংশ লৈছে। দক্ষিণ শালমাৰা মানকাচৰ জিলাৰ হাটশিঙিমাৰীৰ লগতে চুবুৰীয়া ৰাজ্য মেঘালয়ৰ শিঙিমাৰী, ফুলবাৰী আদিত আজি পুৱাতেই দেৱী প্ৰতিমাসমূহ প্ৰতিষ্ঠা কৰা হয়। অসমবাসীৰ প্ৰিয় শিল্পী জুবিন গাৰ্গৰ বিয়োগৰ পৰিপ্ৰেক্ষিতত পূজা মণ্ডপসমূহত সাংস্কৃতিক অনুষ্ঠানসমূহ বাতিল কৰা হৈছে। **বৰাক** উপত্যকাৰ জিলাকেইখনতো আজিৰেপৰা শাৰদীয় দুৰ্গাপূজা পালন কৰা হৈছে।

ooooo

জনতাৰ শিল্পী জুবিন গাৰ্গৰ প্ৰতি শ্ৰদ্ধা জনাই ৰাজ্যৰ বিভিন্ন প্ৰান্তত ভালেমান কাৰ্যসূচী লোৱা হৈছে। ডিব্ৰুগড়ৰ জালুকপাৰা পথৰ দেৱালত ডিব্ৰুগড় পৌৰ নিগমৰ দ্বাৰা শিল্পীগৰাকীৰ প্ৰতিচ্ছবি অংকন কৰি শ্ৰদ্ধাঞ্জলি নিবেদন কৰা হৈছে। বজালী জিলাত শিল্পীগৰাকীৰ মৃত্যুৰ ঘটনাৰ তদন্ত আৰু ন্যায় বিচাৰৰ দাবীৰে আজি পাঠশালাৰ পৰা জুবিন গাৰ্গৰ সমাধিস্থলীলৈ এটা শান্তিপূৰ্ণ যাত্ৰা কৰা হৈছে।

শিল্পীগৰাকীয়ে কণ্ঠ দিয়া দুৰ্গাচণ্ডীৰ সংস্কৃত গীত এটা আজি ইউ টিউবত মুকলি কৰি দিয়া হয়। আকাশবাণী গুৱাহাটীৰ অংশকালীন বাতিৰ সম্পাদক হীৰেণ শৰ্মাৰ পৰিকল্পনাৰে এই এলবামটোত শিল্পীগৰাকীয়ে কণ্ঠ দিছিল। বিভুৰঞ্জন চৌধুৰীয়ে সংগীত পৰিচালনা কৰা এই এলবামটোত অংগৰাগ পাপন মহন্ত, তৰালী শৰ্মা, দেৱজিৎ চাহা আৰু মধুস্মিতা ভট্টাচাৰ্যইও কণ্ঠ দিছে।

গান

০০০০০

জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনাৰ তদন্তৰ বাবে ৰাজ্য চৰকাৰে আৰক্ষীৰ উচ্চ পদস্থ বিষয়াৰে গঠন কৰা বিশেষ তদন্তকাৰী দল – এছ্ আই টিয়ে আজি শিল্পীগৰাকীৰ কাহিলীপাৰাস্থিত বাসগৃহত উপস্থিত হৈ পৰিয়ালৰ সদস্যৰ সৈতে মত বিনিময় কৰে। শিল্পীগৰাকীৰ পত্নী গৰিমা শইকীয়া গাৰ্গৰ লগতে পৰিয়ালৰ সদস্যই কালি চি আই ডিক এই ঘটনাৰ তদন্ত বিচাৰি এজাহাৰ দাখিল কৰিছিল। এজাহাৰত ছিংগাপুৰত নৰ্থ-ইষ্ট ফেষ্টিভেলৰ উদ্যোক্তা শ্যামকানু মহন্ত, জুবিন গাৰ্গৰ মেনেজাৰ সিদ্ধাৰ্থ শৰ্মাৰ লগতে দুৰ্ঘটনাটোৰ সময়ত সেই স্থানত উপস্থিত থকা সকলোৰে নাম উল্লেখ কৰা হৈছে। এছ্ আই টিৰ সদস্যই আজি এই সন্দৰ্ভত তেওঁলোকৰ সৈতে মত বিনিময় কৰে। ইপিনে, শিল্পীগৰাকীৰ মৃত্যু সন্দৰ্ভত অভিনেত্ৰী নিশিতা গোস্বামী, বাদ্যযন্ত্ৰী শেখৰজ্যোতি গোস্বামী আৰু কণ্ঠশিল্পী অমৃতপ্ৰভা মহন্তক আজি দ্বিতীয় দিনাও উলুবাৰীত থকা চি আই ডিৰ কাৰ্যালয়ত জেৰা কৰা হয়।

০০০০০

বিশিষ্ট চলচ্চিত্ৰ পৰিচালক, প্ৰযোজক তিম'থী দাস হাঞ্চেৰ আজি গুৱাহাটীৰ এখন ব্যক্তিগত চিকিৎসালয়ত দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৭০ বছৰ। অসমীয়া চলচ্চিত্ৰ পলে পলে উৰে মন আৰু জীৱন বাটৰ লগৰীৰ পৰিচালক তথা প্ৰযোজক হাঞ্চেই জুবিন গাৰ্গে কণ্ঠ নিগৰোৱা 'যদি জীৱনৰ ৰংবোৰে লুকা-ভাকু খেলে' শীৰ্ষক জনপ্ৰিয় গীতটিৰ গীতিকাৰ আছিল। তেওঁৰ মৃত্যুৰ বিভিন্ন দল-সংগঠন আৰু ব্যক্তি বিশেষে শোক প্ৰকাশ কৰিছে।

০০০০০

এছিয়া কাপ টি টুৱেণ্টি ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত আজি ডুবাই আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামত ভাৰত আৰু পাকিস্তান মুখামুখি হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি নিশা ৮ বজাত আৰম্ভ হ'ব। বিগত ৪১ বছৰত সপ্তদশবাৰৰ বাবে অনুষ্ঠিত এছিয়া কাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ইতিহাসত এইবেলি প্ৰথমবাৰলৈ ভাৰত-পাকিস্তানৰ বিৰুদ্ধে ফাইনেলত অৱতীৰ্ণ হ'ব। এছিয়া কাপত ভাৰতে আঠবাৰকৈ জয়লাভেৰে সবাতোকৈ সফল দল হিচাপে বিবেচিত হোৱাৰ বিপৰীতে পাকিস্তানে তৃতীয়টো খিতাপ জয়ৰ লক্ষ্যৰে অৱতীৰ্ণ হ'ব। প্ৰতিযোগিতাখনত ভাৰতে গ্ৰুপ আৰু ছুপাৰ ফ'ৰ পৰ্যায়ৰ মুঠ ১১ খন খেলতে জয়লাভ কৰাৰ বিপৰীতে পাকিস্তানে ৩ খন খেলত জয়লাভ কৰে আৰু এখন খেল ড্ৰ হয়।

০০০০০

পাঠশালাৰ আনন্দৰাম বৰুৱা একাডেমী স্কুল অব্ স্পৰ্টছৰ উদ্যোগত আৰু আনন্দৰাম বৰুৱা একাডেমী ডিগ্ৰী কলেজৰ আভ্যন্তৰীণ মান নিৰূপণ কোষৰ সহযোগত শিক্ষানুষ্ঠানখনৰ খেল-পথাৰত আজিৰেপৰা সদৌ অসম ভিত্তিত ১৭ বছৰ অনুৰ্ধ ক্ৰিকেট প্ৰতিযোগিতা অনুষ্ঠিত হৈছে। শিক্ষানুষ্ঠানখনৰ অধ্যক্ষ তথা পৰিচালন সঞ্চালক ড° ৰঞ্জিত ডেকাই এই প্ৰতিযোগিতাখন উদ্বোধন কৰে। আজিৰ উদ্বোধনী খেলত নলবাৰীৰ নৱোদয় ক্ৰিকেট একাডেমীয়ে গুৱাহাটীৰ মডাৰ্ণ ক্ৰিকেট একাডেমীক ৭ উইকেটৰ বিনিময়ত পৰাস্ত কৰে। নৱোদয় ক্ৰিকেট একাডেমীৰ হিয়ান কাশ্যপক শ্ৰেষ্ঠ খেলুৱৈ আৰু মডাৰ্ণ একাডেমীৰ হৃদয় দাসক শ্ৰেষ্ঠ ফিল্ডাৰ হিচাপে ঘোষণা কৰা হয়।

০০০০০

সমাপ্ত